**Pre-Final Examination- 2023**
**H.S. 2nd Year**
**Subject : Advance Assamese**

**Full Marks : 100** **Time : 3 hrs.**

১) চমু উত্তৰ দিয়া (যিকোনো ১২ টা) ১x১২=১২

ক) প্ৰথম অসমীয়া চুটি গল্পটোৰ নাম কি?

খ) অসমীয়া চুটি গল্পৰ জন্ম কোনখন অসমীয়া কাকতৰ যোগেদি হয়?

গ) প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি?

ঘ) পদ্মনাথ গোহাঞিবৰুৱাৰ এখন উপন্যাসৰ নাম লিখা।

ঙ) অসমীয়া চুটিগল্পৰ জনক কোন?

চ) বলোৰাম মেধি কোন?

ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীখনৰ নাম লিখা।

জ) ‘বৰ্ষা বৰ্ণন’ পাঠটি কৰ পৰা লোৱা হৈছে?

ঝ) মহাপুৰুষ শংকৰদেৱৰ ৰচিত এখন নাটকৰ নাম লিখা।

ঞ) ‘ময়াপী’ শব্দৰ অৰ্থ কি?

ট) অম্বিকাগিৰী ৰায়চৌধুৰীৰ এখনি কবিতাপুথিৰ নাম লিখা।

ঠ) ‘অনল’ শব্দই কি অৰ্থ প্ৰকাশ কৰে।

ড) ‘আমাৰ ছাৰ’ প্ৰকৃত নাম কি?

ঢ) ‘আমাৰ ছাৰ’ৰ কাৰ বিয়ালৈ গৈছিল।

ণ) ৰাতিয়া কোন?

২) চমু উত্তৰ দিয়া (যিকোনো ১৫ টা) ২x১৫=৩০

ক) অলংকাৰৰ প্ৰধান প্ৰকাৰ দুটাৰ নাম লিখা?

খ) অনুপ্ৰাস কোনবিধ অলংকাৰৰ অন্তৰ্ভূক্ত?

গ) অলংকাৰৰ এটি সংজ্ঞা দিয়া।

ঘ) অলংকাৰ সম্পৰ্কীয় এখন গ্ৰন্থৰ নাম আলংকাৰিকৰ নামৰ সৈতে উল্লেখ কৰা।

ঙ) শব্দালংকাৰৰ দুটা প্ৰকাৰৰ নাম লিখা।

চ) উপমা আৰু অতিশোয়ক্তি কোনবিধ অলংকাৰৰ অন্তৰ্ভূক্ত ?
ছ) উপমানৰ সংজ্ঞা দি এটি উদাহৰণ দিয়া।
জ) চুটিগল্প আৰু উপন্যাসৰ মাজত থকা দুটা পাৰ্থক্য লিখা।
ঝ) কোনটো শব্দৰ পৰা অলংকাৰ শব্দটোৰ সৃষ্টি হৈছে আৰু শব্দটোৰ অৰ্থ কি লিখা।
ঞ) শংকৰদেৱৰ ৰচিত দুখন কাব্যৰ নাম লিখা।
ট) 'প্ৰতিমা' সম্পৰ্কে লক্ষ্মীনাথ বেজবৰুৱাই আগঢ়োৱা মন্তব্যটো কি?
ঠ) 'তুষাৰ' আৰু 'সলিলা' শব্দই কি অৰ্থ প্ৰকাশ কৰে?
ড) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচিত কথাছবি দুখনৰ নাম লিখা।
ঢ) বেদৰ অংশ দুটা কি কি?
ত) যোগেশ দাসে কোনখন উপন্যাসৰ বাবে সহিত্য অকাডেমী বঁটা লাভ কৰিছিল আৰু কিমান চনত?
থ) ড° প্ৰফুল্ল দত্ত গোস্বামীৰ দুখন গ্ৰন্থৰ নাম লিখা।
দ) 'হলাহল' আৰু 'শ্ৰাৱণ' শব্দই কি অৰ্থ প্ৰকাশ কৰে।

৩) তলত দিয়া প্ৰশ্নৰ উত্তৰ দিয়া (যিকোনো ৭ টা) ৪x৭=২৮
ক) শব্দালংকাৰ কাক বোলে? যিকোনো এটা শব্দালংকাৰৰ বিষয়ে লিখা।
খ) অৰ্থালংকাৰ কাক বোলে? যিকোনো এটি অৰ্থালংকাৰৰ বিষয়ে লিখা।
গ) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।
ঘ) চুটিগল্প কাক বেলে? চুটিগল্পৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।
ঙ) প্ৰসংগ সংগতি দৰ্শাহি ব্যাখ্যা কৰা।

মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।

চ) 'মানুহক প্ৰকৃতিৰ অভিনয় পুতলা' বুলি কিয় কৈছে?
ছ) বেদ চাৰিখনৰ নাম উল্লেখ কৰা।
জ) বাঁহী সম্পৰ্কে চমুটোকা লিখা।
ঝ) বলোৰাম মেধিয়ে হাতীটো কিয় কিনিছিল বুজাই লিখা।
ঞ) 'আমাৰ ছাৰ'ৰ চৰিত্ৰ বিশ্লেষণ কৰা।



৪) বহলাই লিখা (যিকোনো ৫ টা) ৬x৫=৩০
ক) উপন্যাস কাক বোলে? উপন্যাসৰ উপাদানবোৰৰ বিষয়ে বিশ্লেষণ কৰা।
খ) চুটিগল্পৰ উপাদানবোৰৰ বিষয়ে আলোচনা কৰা।
গ) যমক আৰু অতিশোয়ক্তি অলংকাৰ সম্পৰ্কে উদাহৰসহ আলোচনা কৰা।
ঘ) 'বৰ্ষা-বৰ্ণন' কবিতাটিৰ মাজেৰে বৰ্ষা কালৰ বৰ্ণনা কেনে ধৰণে দিয়া হৈছে? বুজাই লিখা।
ঙ) 'এই যে পৃথিৱী স্বৰ্গতো অধিক।
মানুহৰ নিজাপী ঘৰ।'
— কবিয়ে কিয়? কি প্ৰসংগত এনেদৰে কৈছে? কবিয়ে ইয়াৰ দ্বাৰা মানুহক কি উপদেশ দিব খুজিছে। বুজাই লিখা।
চ) 'বিহু এক ধৰ্মীয় অনুষ্ঠান'- বিহুক ধৰ্মীয় অনুষ্ঠান বুলি কোৱাৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।
ছ) 'হাতী' গল্পত মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ কেনেদৰে অংকন কৰা হৈছে এটি আভাস দিয়া।
জ) বাপধনক কেন্দ্ৰ কৰি বাপেক-পুতেকৰ মাজত কেনেধৰণৰ কাজিয়াৰ সূত্ৰপাত হৈছিল লিখা।

*****